# সবাতোকৈ আপোন

প্ৰতিজন মানুহৰে জন্মদাত্ৰী আই, জন্মভূমি আৰু মাতৃভাষা অতিকৈ আপোন। তিনিওগৰাকী মাতৃ সকলো সময়তে, সকলো পৰিৱেশতে পূজনীয়। এইসকল মহান মাতৃৰ যোগেদি জগতখন চিনিব, জানিব আৰু বুজিব পাৰি। কবিতাটিৰ জৰিয়তে কবিয়ে ওপজা ঠাইখনক ভিত্তি কৰি মাতৃ আৰু মাতৃভাষাৰ সহায়ত পৃথিৱীত যে আগুৱাই যাব পাৰি, সেই কথা প্ৰকাশ কৰিছে।

হয়তো নহ'ব পাৰে          মোৰ আই *সবাতো শুৱনি,
তথাপি আপোন মোৰ আই,
গছ লতা ফুলে ভৰা          এইখন ধুনীয়া ধৰণী
তেৱেঁ মোক দিলেহি চিনাই।





হয়তো নহ'ব পাৰে          মোৰ দেশ সবাতো চহকী
তথাপি আপোন মোৰ দেশ,
ইয়াৰ নগৰ গাঁও          জান-জুৰি প্ৰাণৰ চিনাকি
যাৰ নাই মহিমাৰ শেষ।



হয়তো নহ'ব পাৰে          মোৰ ভাষা সবাতো সুৰীয়া
তথাপি আপোন এই ভাষা,
তাৰেই প্ৰকাশ কৰোঁ          অন্তৰৰ ভাব কুমলীয়া
সুখ দুখ স্নেহ শান্তি আশা।



মোৰ আই, মোৰ দেশ, মোৰ ভাষা ভাল পাওঁ
তাৰে মই চিনিম জগত,
সুবিশাল পৃথিৰীত হাতে হাতে ধৰাধৰিকৈ
খোজ দিম সবাৰে লগত।

***কবি — নৰকান্ত বৰুৱা***

*(উৎসঃ মৰুৱা ফুল, পৃষ্ঠা - ১২৮, সম্পাদনা - নৰকান্ত বৰুৱা, পঞ্চম প্ৰকাশ, ২০০৮, প্ৰকাশকঃ অসম প্ৰকাশন পৰিষদ।)*

**কবিয়ে সবাতোকৈ, সবাতো, সবাৰে আদি আখৰ-জোঁটনি দিছে যদিও 'অসমীয়া হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধানত' 'সৰ' ৰূপহে আছে। কবিতাটোত কবিৰ বৰ্ণ বিন্যাসত আমি হাত ফুৰোৱা নাই।*

## কবি পৰিচয়

**নৰকান্ত বৰুৱা (১৯২৬-২০০২ চন)**— কবি, ঔপন্যাসিক আৰু শিশু-সাহিত্যিক নৰকান্ত বৰুৱা অসমীয়া সাহিত্যজগতৰ অতি পৰিচিত নাম। 'এখুদ ককাইদেউ' ছদ্ম নামেৰে বহু শিশু-সাহিত্য ৰচনা কৰা এইজন সাহিত্যিকে 'ককাদেউতাৰ হাড়' নামৰ উপন্যাসৰ বাবে *'সাহিত্য অকাডেমী বঁটা'* লাভ কৰিছিল। তদুপৰি তেখেতে *'অসম প্ৰকাশন পৰিষদ বঁটা'*, *'অসম উপত্যকা সাহিত্য বঁটা'* লাভ কৰিছিল আৰু ভাৰত চৰকাৰৰ *'পদ্মভূষণ'* সন্মানেৰে বিভূষিত হৈছিল। তেখেত অসম সাহিত্য সভাৰ সভাপতিও হৈছিল।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

**শব্দৰ অৰ্থ জানো আহা**

| | | |
|---|---|---|
| সবাতো | — | সকলোতকৈ |
| মহিমা | — | মাহাত্ম্য, প্ৰতাপ, গৌৰৱ |
| সুৰীয়া | — | শুৱলা |
| কুমলীয়া | — | কম বয়সীয়া, অপূৰঠ |
| সুবিশাল | — | বৰ ডাঙৰ, বৰ বহল |
| চহকী | — | ধনী |

১)	**কবিতাটি শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ পঢ়া।**

২)	**কবিতাটি আবৃত্তি কৰা।**

৩)	**কোৱা আৰু লিখা।**

(ক) কবিয়ে কাক কাক সবাতোকৈ আপোন বুলি কৈছে?

(খ) কবিয়ে প্ৰাণৰ চিনাকি বুলি কাৰ কাৰ কথা কৈছে?

(গ) কবিতাটিত অন্তৰৰ ভাব কিহেৰে প্ৰকাশ কৰা বুলি কোৱা হৈছে?


(ঘ) কবিয়ে জগতখন কাৰ কাৰ যোগেদি চিনি পাবলৈ আশা কৰিছে?

(ঙ) সুবিশাল পৃথিৱীত কাৰ স'তে, কেনেকৈ খোজ দিবলৈ কবিয়ে ইচ্ছা কৰিছে?

৪)	**কবিতাটিৰ মূলভাব লিখা।**

৫)	**পাঠৰ পৰা অন্ত্যধ্বনি মিল থকা শব্দবোৰ মিলাই লিখা।**

**উদাহৰণ—** আই — চিনাই




## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৬)	**নিৰ্দিষ্টতাবাচক প্ৰত্যয় টো, টি, জন, জনী, খন, খনি ব্যৱহাৰ কৰি তলৰ শব্দবিলাক নতুন লিখা।** (যেনে — এইখন ধুনীয়া ধৰণী। এই + **খন** = এই**খন**)

তিৰোতা, ছাতি, কেঁচুৱা, ঘৰ, কিতাপ, ছোৱালী, ফুলনি, নৈ, পৰ্বত

৭)	**বাক্য ৰচনা কৰা।**

শুৱনি, সুৰীয়া, ধুনীয়া, চহকী, কুমলীয়া, সুবিশাল

৮)	**কবিতাটিৰ পৰা যুৰীয়া শব্দবোৰ বিচাৰি লিখা।**

**উদাহৰণ** — জান-জুৰি

৯) তলত দিয়া শব্দসমূহৰ নঞৰ্থক ৰূপবোৰ লিখা।

| | | | |
|---|---|---|---|
| হ'ব | নহ'ব | খেলোঁ | |
| ধোওঁ | | যাম | |
| শুনা | | দিম | |
| কৰোঁ | | লিখোঁ | |

১০) কবিতাটিত থকা বিশেষ্য আৰু বিশেষণ পদবোৰ বাছি উলিয়াই লিখা।

## গ — জ্ঞান সম্প্ৰসাৰণ

১১) উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰা।

(ক) মই মোৰ আইক ____________ পাওঁ।

(খ) মই মোৰ মাতৃভাষাক ____________ কৰোঁ।

(গ) আমি আমাৰ স্বদেশক লৈ ____________ বোধ কৰোঁ।

১২) তলৰ স্তৱকসমূহ দলীয়ভাৱে পঢ়া আৰু কোনটো স্তৱক কাৰ উদ্দেশ্যে ৰচিত হৈছে কোৱা।

(ক) মেলিলোঁ প্ৰথম চকু
তোমাৰ কোলাতে আই = জন্মভূমি।
জনমৰ আদিম পুৱাত;

(খ) কোনে মোক তুলি-তালি কৰিলে ডাঙৰ
মউসনা মিঠা মাতে পাহৰি ভাগৰ; = আই

(গ) চিৰ চেনেহী মোৰ ভাষা জননী = মাতৃভাষা



১৩) অসমৰ যিকোনো তিনিগৰাকী শিশু-সাহিত্যিকৰ নাম লিখা।

লক্ষ্মীনাথ বেজবৰুৱা


মিত্ৰদেৱ মহন্ত

১৪) তোমাৰ জন্মভূমিৰ বিষয়ে দহটা বাক্য লিখা।

১৫) তোমাৰ জন্মদাত্ৰী মাতৃৰ বিষয়ে এটি কবিতা ৰচনা কৰা।

১৬) সাঁথৰ ভাঙা—

(ক) নাকত বহি
কাণত ধৰে
এনে কি বস্তু
ভাল পায় নৰে?




(খ) ক আইটি টপৰাই,
কাটি নিলে বাঢ়ি যায়।

(গ) দি মৰিল কোন?

(ঘ) নি মৰিল কোন?

(ঙ) নিদি মৰিল কোন?

(চ) নকৈ মৰিল কোন?




## ঘ—প্ৰকল্প

- নৰকান্ত বৰুৱাৰ শিশু-কবিতা সংগ্ৰহ কৰি শ্ৰেণীকোঠাত আবৃত্তি কৰা।

*প্ৰয়োজন অনুসৰি শিকাৰুক সহায় কৰিব।*